# পৌল আৰু বাৰ্ণব্বাই নতুন মণ্ডলীলৈ নতুন বিশ্বাসীসকলক আনিছিল

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, আমি আন লোকক আপোনাৰ পুত্ৰ যীচুৰ বিষয়ে কওঁতে আপুনি কেনে আনন্দিত হয় তাক আমাৰ ল'ৰা-ছোৱালীক বুজাবলৈ এই অধ্যয়ন অনুগ্ৰহ কৰি ব্যৱহাৰ কৰক।"

ল'ৰা-ছোৱালীৰ বয়স আৰু প্ৰয়োজনবোৰত খাপ খোৱা কামবোৰ বাচি লওক।

**১। পৌল আৰু বাৰ্ণব্বাৰ বিষয়ে শিক্ষা দিবলৈ যুগুত হওক।**

পৌল আৰু বাৰ্ণব্বাই কেনেকৈ নতুন মণ্ডলী আৰম্ভ কৰিছিল, অনুগ্ৰহ কৰি পাঁচনিৰ কৰ্ম্ম ১৪ অধ্যায় পঢ়ক।



পাঁচনিৰ কৰ্ম্ম ১৩ঃ১-৩ পঢ়ক, অন্য ঠাইত নতুন কামৰ বাবে পৌল আৰু বাৰ্ণব্বাক আন্তিয়খিয়াৰ বিশ্বাসীসকলে পঠিয়াওতে কি কৰিছিল *(প্ৰশ্নৰ তলত উত্তৰ দিয়া আছে)*

১) মণ্ডলীৰ লোকে পৌল আৰু বাৰ্ণব্বাক কোন চহৰলৈ পঠিয়াইছিল?

২) আন্তিয়খিয়াৰ বিশ্বাসীসকলক পবিত্ৰ আত্মাই কি কৰিবলৈ কৈছিল?

*(উত্তৰ ঃ*

১) *বৰ্ত্তমানৰ তুৰ্কী অঞ্চলত থকা আন্তিয়খ এখন চহৰ।*

২) *তেওঁ আহ্বান কৰা কামৰ কাৰণে পৌল আৰু বাৰ্ণব্বাক পৃথক কৰিবলৈ। পবিত্ৰ আত্মাই বিশ্বাসী সকলক কৈছিল। কেতিয়াও নুশুনা লোকবিলাকলৈ যীচুৰ শুভবাৰ্ত্তা তেওঁলোকে নিয়া তেওঁ ইচ্ছা কৰিছিল।)*

পাঁচনিৰ কৰ্ম্ম ১৪ঃ৮-২৩ লুস্ত্ৰাত ঘটা ঘটনাবোৰ চাওক ঃ

১) লোকবিলাক আচৰিত হ'বলৈ কি ঘটিল?

২) পৌল আৰু বাৰ্ণব্বাক, প্ৰথমে লোকবিলাকে কোন বুলি ভাবিলে?

৩) তেওঁলোকৰ আৰাধনা কৰাৰ পৰা লোকবিলাকক পৌল আৰু বাৰ্ণব্বাই কেনেদৰে আঁতৰাই ৰাখিছিল?

৪) আন নগৰৰ পৰা লোকবিলাক আহি, পৌলক কি কৰিবলৈ তেওঁলোকে উচটনি দিলে?

৫) পৌল আৰু বাৰ্ণব্বাই যীচুৰ কথা ক'বলৈ এৰিলেনে?

৬) তেওঁলোক আঁতৰি যোৱা পিছত পৌল আৰু বাৰ্ণব্বাই কি কৰিলে, যাতে যেন শিষ্যবিলাকে চলাওঁতা হ'ব পাৰে?

*(উত্তৰ ঃ*

*১) এজন খোৰা মানুহে সুস্থ হোৱা বিশ্বাস পৌলে দেখা পালে, আৰু ঈশ্বৰে মানুহজনক সুস্থ কৰিলে।*

*২) তেওঁলোকে বাৰ্ণব্বাক দেৱ পূজক দ্যুপিতৰ আৰু পৌলক দেৱ পূজক মেকুৰী বুলি ভাবিছিল।*

*৩) তেওঁলোক মানুহহে বুলি লোকবিলাকক ক'লে আৰু তেওঁলোকে যে জীৱিত ঈশ্বৰৰ পৰিচৰ্য্যা কৰে।*

*৪) তেওঁলোকে পৌললৈ শিল দলিয়ালে আৰু তেওঁ মৰিল বুলি ভাবি, তেওঁক নগৰৰ বাহিৰলৈ টানি নিলে।*

*৫) পৌল আৰু বাৰ্ণব্বাই লোকবিলাকক যীচুৰ কথা কৈ থাকিল।*

*৬) প্ৰত্যেক নতুন মণ্ডলীক চলাবলৈ পাঁচনিবিলাকে বৃদ্ধলোকক নিযুক্ত কৰিলে।)*

শিক্ষকে অথবা এগৰাকী ডাঙৰ ল'ৰা/ছোৱালীয়ে গল্পটো ক'ব পাৰে - লুস্ত্ৰাত পৌল আৰু বাৰ্ণব্বাই এজন খোৰা মানুহক সুস্থ কৰা আৰু তাৰ পিছৰ ঘটনাবোৰ (পাঁচনিৰ কৰ্ম্ম ১৪ঃ৮-২৩)।

১ম খণ্ডৰ পৰা গল্পটোৰ বিষয়ে ল'ৰা-ছোৱালীক প্ৰশ্ন কৰক।

পাঁচনিৰ কৰ্ম্ম ১৪ঃ৮-২৩ পদৰ পৰা পৌল আৰু বাৰ্ণব্বাই কি কৰিছিল - নাটক কৰক আৰু উপাসনাৰ সময়ত বয়সীয়া সকলৰ আগত পৰিবেশন কৰক। গল্পটোৰ কিছু অংশ অথবা আটাইবিলাক আপুনি বাচি ল'ব পাৰে। ডাঙৰ ল'ৰা-ছোৱালীক সৰুবোৰে প্ৰস্তুত কৰাত সহায় কৰক।

- ডাঙৰ ল'ৰা-ছোৱালীয়ে পৌল, খোৰা মানুহ আৰু বৰ্ণনাকাৰীৰ ভাও কৰক।
- সৰু ল'ৰা-ছোৱালীয়ে বাৰ্ণব্বা, লোকসমূহ আৰু শিল দলিওৱা বোৰৰ ভাও কৰক।

**বৰ্ণনাকাৰী ঃ** ৮ ও ৯ পদ পঢ়ক।

**পৌল আৰু বাৰ্ণব্বা ঃ** খোৰা মানুহজনৰ ফালে খোজ লয়।

**পৌল ঃ** "যীচুৰ নামত তুমি সুস্থ হৈছা।"

**খোৰা মানুহ ঃ** জাপ মাৰি উঠে আৰু খোজ কাঢ়ে। চিঞৰি কয়, "মই সুস্থ হলোঁ।"

**লোকসমূহ ঃ** তললৈ মূৰ কৰি চিঞৰে, "দেৱতাবোৰ মানৱৰূপে নামি আহিছে।

"তেওঁলোক দ্যুপিতৰ আৰু মেকুৰীৰ দেৱতা!"

"তেওঁলোকলৈ বলিদানৰ অৰ্থে ফুলৰ মালা আৰু বলধ গৰু আনা!"

**পৌল ঃ** ১৫ পদৰ পৰা পৌলৰ কথাখিনি চিঞৰি কওক।

**বৰ্ণনাকাৰী ঃ** ১৮, ১৯ পদ পঢ়ক।

**শিলগুটি দলিওৱা সকল ঃ** পৌল আৰু বাৰ্ণব্বাই আঙুলিয়াই খঙেৰে চিঞৰে।

"সেই মানুহবিলাক, পৌল আৰু বাৰ্ণব্বাই তোমালোকক প্ৰতাৰণা কৰিছে!"

"তেওঁলোকে ভূতৰ শক্তিৰে নানা টালি-বাজি কৰিছে!"

"তোমালোকৰ মন্দিৰ আৰু ৰীতি-নিয়ম তেওঁলোকে নষ্ট কৰিব!"

পৌললৈ শিল দলিওৱাৰ ভাও দেখুৱাওক। তেওঁ পৰি যায়!

**বৰ্ণনাকাৰী ঃ** ২০-২৩ পদ পঢ়ক আৰু নাটকখনত সহায় কৰা আটাইকে ধন্যবাদ দিয়ক।

যদিহে ল'ৰা-ছোৱালীয়ে বয়সীয়া সকলৰ বাবে নাটখন পৰিবেশন কৰিছে, তেন্তে পাঁচনিৰ কৰ্ম্ম ১৪ অধ্যায়ৰ পৰা কিছুমান প্ৰশ্ন সুধিবলৈ দিয়ক।

শস্য সিঁচা খেতিয়কৰ দৃষ্টান্তটো স্পষ্টকৈ দেখুৱাওক, মাৰ্ক ৪ঃ১-২০।

- প্ৰতিগৰাকী ল'ৰা-ছোৱালীক হাতত ধান দিয়ক, অথবা সিহঁতে দেখাকৈ হাতত ধান দাঙি ধৰক।

- ব্যাখা কৰক, লোকবিলাকে তেওঁক গ্ৰহণ কৰিলে কিদৰে তেওঁৰ ৰাজ্য বৃদ্ধি হয় তাৰে বৰ্ণনা কৰিবলৈ কিদৰে যীচুৱে শস্য ব্যৱহাৰ কৰিছিল। তেওঁ কৈছিল যে যদি আমি ভাল মাটিত শস্য সিচোঁ, তেন্তে ই বৃদ্ধি পাব আৰু অনেক বাৰ শস্য উৎপন্ন কৰিব।
- ভাল আৰু বেয়া মাটিৰ বৰ্ণনা কৰক।
- বৰ্ণনা কৰক যে পৌল আৰু বাৰ্ণব্বা লুস্ত্ৰা আৰু আন নগৰবোৰলৈ যাওঁতে, তেওঁলোকে ঈশ্বৰৰ ৰাজ্যৰ গুটি সিঁচিছিল। নতুন মণ্ডলী হ'ল আৰু অধিক গুটি সিঁচিবলৈ কৰ্ম্মচাৰী সকলক পঠিয়ালে।

**কৱিতা,** চাৰি গৰাকী ল'ৰা-ছোৱালীক যিচয়া **৪২ঃ১, ৪, ৬** আৰু **৭** পদ চাৰিটাৰ একোটাকৈ পঢ়িবলৈ দিয়ক।

**মুখস্থ পদ।** পাঁচনিৰ কৰ্ম্ম **১ঃ৮**

**প্ৰাৰ্থনা ঃ** "হে প্ৰভু, আনৰ আগত শুভবাৰ্ত্তা কওঁতে, পৌল আৰু বাৰ্ণব্বাৰ দৰে বিশ্বাসী আৰু সাহসী হ'বলৈ আমাক সহায় কৰক। অন্য ঠাইৰ লোকবিলাকক যীচুৰ বিষয়ে জানিবলৈ দিয়ক আৰু পৃথিৱী ব্যাপি খ্ৰীষ্টৰ শৰীৰৰ এক অংশ হ'বলৈ দিয়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net